# "কোচৰাজবংশী সকলৰ লোকাচাৰ"

কাকতৰ নাম :- প্ৰকল্প

কাকত নং :- DSE-2(H)

**তত্ত্বাৱধায়ক**


কুকিলা শ্যাম

অধ্যাপক, অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ


**প্ৰস্তুতকৰ্তা**


নাম :- শ্ৰীৰাহুল বৰা

শ্ৰেণী :- স্নাতক ষষ্ঠ ষাণ্মাসিক

ৰোল নং :- 30810047

পঞ্জীয়ন নং :- S1921725



অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

২০২২ বৰ্ষ

# কৃতজ্ঞতা

প্ৰতিবেদনখনি প্ৰস্তুত কৰাত বিভিন্ন দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা তত্ত্বাৱধায়িকা কুকিলা শ্যাম  বাইদেউৰ ওচৰত চিৰকৃতজ্ঞ। আনহাতে প্ৰতিবেদনখনি প্ৰস্তুত কৰিবলৈ উপযুক্ত তথ্য অৰ্থাৎ কৈৱৰ্তসমাজৰ বিবাহ অনুষ্ঠানত পালন কৰা বিভিন্ন লোকাচাৰ সমূহৰ বিষয়ে দাঙি ধৰা তথ্যৰ মোৰ আইতা, বৰমা, মা এওঁলোকৰ ওচৰতো কৃতজ্ঞ হৈ ৰ'লো।

# <u>সূচীপত্ৰ</u>


০.০১ অৱতৰণিকা

০.০২ বিষয়ৰ পৰিচয়

০.০৩ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য

০.০৪ অধ্যয়নৰ পৰিসৰ

০.০৫ অধ্যয়নৰ সীমাবদ্ধতা

০.০৬ ভৌগোলিক সীমাবদ্ধতা

০.০৭ তথ্য সংগ্ৰহৰ পদ্ধতি

০.০৮ প্ৰতিবেদন প্ৰস্তুতকৰণৰ পদ্ধতি

০.০৯ তথ্য আহৰণৰ প্ৰাথমিক উৎস

০.১০ তথ্য আহৰণৰ গৌণ উৎস

০.১১ পৃহকৃত  অধ্যয়নৰ সীমাবদ্ধতা

১ম অধ্যায়ঃ কোঁচ ৰাজবংশী সকলৰ চমু পৰিচয়

২য় অধ্যায়ঃ

২.০ কোঁচ ৰাজবংশী সকলৰ সামাজিক লোকাচাৰ

২.১ লোক উৎসৱ অনুষ্ঠান

হুদুম দেওৰ পূজা

আন আন

২.২ পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠান

বাশঁ পূজা

বিষুৱা

২.৩ সংস্কাৰ মূলক উৎসৱ অনুষ্ঠান

**(১)** জন্মৰ লগত জড়িত উৎসৱ অনুষ্ঠান

**(২)** বিবাহৰ লগত জড়িত উৎসৱ অনুষ্ঠান

তোলনি বিয়া

বৰবিয়া

তামোল পাণ পেলোৱা

জোৰোণ দিয়া

পানী তোলা পৰ্ব

**(৩)** মৃতকৰ সংস্কাৰৰ লগত জড়িত উৎসৱ অনুষ্ঠান

২.৪ লোক ধৰ্ম

২.১ খেল- ধেমালি

২.২ ৰছী টনা খেল

শিশুৰ খেল ধেমালি সমূহ

১**)** কপটি বা গুদু

২**)** কুকুৰা যুঁজ

৩**)** ৰজা-ৰাণী খেল ।

## ০.০১ অৱতৰণিকাঃ-

বৃহত্তৰ অসমৰ বৰ্ণিল লোক সংস্কৃতিত বিভিন্ন জাতি জনগোষ্ঠীয়ে বিৰাজ কৰা অতি প্ৰাচীন জনগোষ্ঠী সকলৰ অন্যতম হল কোচ ৰাজবংশীসকল । অসমৰ সাহিত্য সংস্কৃতিৰ ইতিহাসত ৰাজ দৰবাৰৰ পৰা গ্ৰাম্য জীৱনলৈ বিভিন্ন পৰিক্ৰমাত কোচৰাজবংশী সকলৰ পৰশ বিৰাজমান । তেওঁলোক প্ৰধানতঃ শিৱ আৰু শাক্ত পন্থাৰ অনুগ্ৰামী আছিল । অৱশ্যে তেওঁলোকে প্ৰাচীন কালৰে পৰা দেৱ - দেৱীৰ পূজা পাতল কৰিছিল।

ঊনৈশ শতিকাৰ গণিতৰ প্ৰথম দশকৰ পৰা কুৰি শতিকাৰ শেষৰ দশকলৈ যিসকল নৃবিজ্ঞানী,গৱেষক , চৰকাৰী পিয়লৰ কাম কৰোঁতা কমিছনাৰ, ডাক্তৰ বা চিকিৎসক, সমাজ বিজ্ঞানী আদিয়ে কোচ ৰাজবংশীসকলৰ গৱেষণা কৰিছিল। সেইসকল বেছি ভাগেই একমত আছিল যে অসম , নেপাল, ভূটান, বিহাৰ , মেঘালয় আৰু বাংলাদেশত যি সকল ৰাজবংশী লোক আছে তেওঁ লোকৰ মূল হল কোচ। অসমত সেই কাৰণেই তেওঁলোকক কোৱা হয়  কোচ ৰাজবংশী । তেওঁ লোক হিন্দুধৰ্ময় লোক । বহুতে কোচ আৰু ৰাজবংশী সকলক পৃথকে পৃথকেভাৱে প্ৰতিষ্ঠা কৰিব বিচাৰে ।মেঘালয় আৰু অসমৰ সীমান্ত অঞ্চলত কিছুমান কোচ লোকে সুপ্ৰাচীন কোচ ভাষা আৰু সংস্কৃতি প্ৰতিপালন কৰি আছে । তেওঁলোকৰ ধাৰাটো হল আৰ্যটৰ ধাৰা। আনফালে পশ্চিম অসম ,উত্তৰ বংগ, নেপাল, বিহাৰ, ইত্যাদি অঞ্চলৰ ৰাজবংশী লোকসকলৰ ভাষা সংস্কৃতি  হল আৰ্য ভাষা সংস্কৃতি । তেওঁলোকক অকল ৰাজবংশী বুলি কোৱা হয়। তেওঁ লোকে হিন্দু ধৰ্ম গ্ৰহণ কৰি ৰাজবংশী বুলি পৰিচয় দিয়ে । বহুতে অকল কোচ ৰাজবংশী বুলি সংস্কৃতি প্ৰতিপালন কৰে। দুটা পৃথক ধৰণৰ ভাষা সংস্কৃতি পালন কৰিলেও নৃতাত্বিক ভাৱে সকলো কোচ ৰাজবংশী লোকৰ মূল একেটাই, সেয়া হল কোচ । ঠাই বিশেষে এওঁলোক কোচ , কোচ ৰাজবংশী, ক্ষতিয়, ৰাজবংশী বা ৰাজবংশী , কোনো ঠাইত ক্ষতিয় বুলিও জনা যায়।  এওঁলোক ক্ষতিয় বুলি পৰিচয় হলেও আৰ্য ক্ষতিয় নহয় । সকলোৰে সংস্কৃতিত জনজাতীয় সাপ

স্পষ্ট । অসম , বংগ, বিহাৰ , নেপাল আৰু বাংলাদেশ আদি ঠাইত তেওঁলোক ৰাজবংশী বুলি পৰিচিত। পৰৱৰ্তী সময়ত মদাহী , জলঠা, হাজং ,ঠিমাল,

ঝালু,মালো,বৰুৱা, মণ আদি অনেক সৰু সৰু জনগোষ্ঠীৰ লোকসকলে ৰাজবংশী বুলি পৰিচয় ধন্য হ'লেও তেওঁলোকৰ বহুততে মূল হল কোচ ।

১৮৮৯ চনৰ আদম সুমাৰি প্ৰতিবেদনত হান্টাৰে উল্লেখ কৰিছে যে **(১)**"আধা হিন্দু জনজাতি হিচাপে উল্লেখিত কোচ ,জালিয়া আৰু ৰাজবংশী জনগোষ্ঠীৰ লোকসকল" , যি সকল কোচ বিহাৰৰ ৰাজ্য আৰু সংলগ্ন জনজাতি তেওঁলোক মূলতঃ একে বংশজাত উপজাতি । গ্ৰীয়াৰ্ছৰ মতেও যি **(২)**সকল কোচ বৰ্তমানেও হিন্দু ধৰ্মালম্বী তেওঁলোক প্ৰধান ভাৱে ৰাজবংশী হিচাপে পৰিচয় দিয়ে । ৰিজলীয়ে কোচ , জালিয়া আৰু ৰাজবংশী সকলক নৃতাত্বিক ভাৱে একে বংশোদ্ভৱ বুলি উল্লেখ কৰিলে।

ভাৰতত্বৰ অনুসন্ধানকাৰী দেশী-বিদেশী প্ৰাচীন পণ্ডিত সকলৰ মন্তব্যৰ পৰা আধুনিক কালৰ তেওঁলোক সিদ্ধান্ত কৰিছে যে কোচ সকল আছিল বৃহত্তৰ তিব্বতবৰ্মী ভাষাগোষ্টীৰ লোক । পৰৱৰ্তী সময়ত তেওঁলোক নিজৰ সুপ্ৰাচীন ভাষা সংস্কৃতি এৰি আৰ্য ভাষা সংস্কৃতি গ্ৰহণ কৰে । ঐতিহাসিক পণ্ডিতসকলৰ লিখিত ইতিহাসৰ পৰাও জানিব পৰা যায় যে ষোল্ল শতিকাৰ মধ্যভাগত কোচ ৰজা বিশ্বসিংহৰ নেতৃত্বত কোচ সকলে সম্পূৰ্ণ ৰূপে তেওঁলোকৰ আওপুৰণি ভাষা আৰু ধৰ্ম এৰি হিন্দু ধৰ্ম গ্ৰহণ কৰি ৰাজবংশী হয় আৰু পুৰামতাই বৰ্ণ হিন্দুৰ নিচিনা ভাষা ব্যৱহাৰ কৰিবলৈ ধৰে ।

## ০.০২ বিষয় পৰিচয়ঃ-

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্ব প্ৰান্তত অৱস্থিত অসম প্ৰদেশ নানা জাতি - জনজাতি , ভাষা-ভাষীয় মিলন ভূমি। ইয়াতে শ শ বছৰৰ সাংস্কৃতিক বছৰত সংস্কৃতিক ঐতিয্যৰে গঢ় লৈ উঠিছে বৃহৎ অসমীয়া জাতি । বাৰেবৰণীয়া সাংস্কৃতিৰ মিলনভূমি এই অসম নামৰ ভূ-খণ্ডত বিভিন্ন জাতি-জনগোষ্ঠীয়ে নিজস্ব সাংস্কৃতিক জীৱনচৰ্যা অটুট ৰাখি বৰ্তি আছে । অসমত বাস কৰা প্ৰতিটো জনগোষ্ঠীয়ে নিজা সামাজিক আচাৰ- আচৰণ পালন কৰা দেখা যায়। এই আচাৰ - আচৰণ, পৰম্পৰা, ধৰ্মীয় লোকবিশ্বাস আদিৰ মাজেৰেই জাতি জনগোষ্ঠীৰ মাজত প্ৰচলিত বিবিধ আচাৰ -আচৰণ, লোকপৰম্পৰা আদিৰ বিষয়ে খৰচি মাৰি জনাৰ সৰ্ব্বোৰ্ত্তম উপায় হৈছে ক্ষেত্ৰ অধ্যয়ন। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে অধ্যায়নকাৰী জনে অধ্যয়ন কৰিব বিচৰা নিৰ্দ্দিষ্ট সম্পদায়টোৰ কাষত উপস্থিত হৈ তেওঁলোকৰ সামাজিক জীৱনচৰ্যাৰ সৈতেপৰিচিত হব পৰা যায়। তেওঁ অধ্যয়ন কৰিব বিচৰা নিৰ্দ্দিষ্ট বিষয়টো সন্দৰ্ভত সেই সম্প্ৰদায়টোৰ লোকসকলৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিভিন্ন তথ্য আহৰণ কৰিব পৰা যায় । তেনে এক উদ্দেশ্য অজয় ৰাখিয়েই নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষাম্মাষিকৰ **DSE-2(H)** , প্ৰকল্প কাকতখনৰ বাবে " কোঁচ ৰাজবংশী সকলৰ সামাজিক লোকাচাৰ" শীৰ্ষক বিষয়টোৰ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হৈছে । যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰ মহকুমাস্থিত নামচুঙী অঞ্চলৰ মহনাটিং গাঁৱৰ এই ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হৈছে।

## ০.০৩ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যঃ

মানৱ জীৱনৰ অনুসংগ জন্ম-বিবাহ , মৃত্যু সম্পৰ্কীয় ভালেমান লোকাচাৰ অসমীয়া লোকসমাজত সমৃদ্ধ হৈ আছে । প্ৰতিটো জনগোষ্ঠীৰে এই লোকাচাৰ সমূহ পৃথক পৃথক। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি অসমত বাস কৰা কোঁচ ৰাজবংশী সকলৰো জন্ম -বিবাহ, মৃত্যু সম্পৰ্কীয় ভালেমান পৰম্পৰাগত লোকাচাৰ বিদ্যমান । ইয়াৰ ভিতৰত কোঁচ ৰাজবংশী সকলৰ লোকাচাৰ সম্পৰ্কে অধ্যয়ন কৰাৰ অন্তৰালত কেইটামান বিশেষ উদ্দেশ্য নিহিত হৈ আছে। এই উদ্দেশ্যসমূহ এনেধৰণৰ-

(ক) কোঁচৰাজবংশী সকলৰ এটি চমু পৰিচয় তথা জীৱন- নিৰ্বাহ পদ্ধতি এটি চমু থুলমূল আভাস প্ৰদান কৰা।

(খ) কোঁচৰাজবংশী সকলৰ লোকাচাৰ সম্পৰ্কে আলোকপাত কৰা ।

(গ) তেওঁলোকৰ জন্ম,মৃত্যু, বিবাহ কাৰ্য কেনেদৰে পালন কৰে সেই সম্পৰ্কে অৱগত হোৱা এই প্ৰতিবেদনটিৰ মূল লক্ষ্য আৰু উদ্দেশ্য ।

(ঘ) কোঁচৰাজবংশী সকলে নীতি-নিয়মৰ লগত জড়িত লোকবিশ্বাসসমূহৰ বিষয়ে অধ্যয়ন কৰা।

## ০.০৪ অধ্যয়নৰ পৰিসৰঃ

বিষয়টোৰ অধ্যয়নৰ পৰিসৰ প্ৰধানকৈ বিষয়ৰ সীমাবদ্ধতা আৰু ভৌগোলিক সীমাবদ্ধতাক সামৰি লোৱা হৈছে।

## ০.০৫ অধ্যয়ন সীমাবদ্ধতাঃ-

প্ৰতিবেদনত কোঁচৰাজবংশী লোক সকলে জন্ম, মৃত্যু আৰু বিবাহ ধৰ্ম - অন্যান্য পালন কৰা বিভিন্ন ৰীতি- নীতি পৰম্পৰা তথা লোকাচাৰ, লোকবিশ্বাস সমূহক সামৰি যুগুত কৰা হৈছে ।

## ০.০৬ ভৌগোলিক সীমাবদ্ধতাঃ-

কোঁচৰাজবংশী সকলৰ জন্ম,মৃত্যু, বিবাহ অনুষ্ঠানত পালন কৰা লোকাচাৰ সমূহৰ সন্দৰ্ভত তথ্য আহৰণ কৰিবলৈ জিলাৰ তিতাবৰৰ নামচুঙী অঞ্চলৰ মহনাটিং গাঁৱৰ প্ৰায় পঞ্চাশ ঘৰ কোচ সম্প্ৰদায় মানুহেৰে বসবাস কৰা মহনাৰ্টিং গাঁৱক বাছনি কৰা হৈছে।

## ০.০৭ তথ্য সংগ্ৰহ পদ্ধতিঃ-

প্ৰতিবেদন খন প্ৰস্তুত কৰিবলৈ তথ্য সংগ্ৰহ পদ্ধতি হিচাপে সাক্ষাৎকাৰ পদ্ধতিৰ সহায় লোৱা হৈছে । মহনাটিং গাঁৱৰ কেইজনমান লোকৰ সহায়ত লাভ কৰা তথ্যৰ আধাৰত এই প্ৰতিবেদন খন যুগুত কৰা হৈছে। প্ৰতিবেদন খন প্ৰস্তুত কৰাত উদ্দেশ্য সাক্ষাৎকাৰৰ সময়ত তথ্যদাতাক কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰা হৈছিল। সেই প্ৰশ্নসমূহ এনেধৰণৰ কৰা হৈছিল যেনেঃ-

**(ক)** কোঁচৰাজবংশী সকলে কেনেধৰণৰ আচাৰ , ৰীতি -নীতি পালন কৰে **?**

**(খ)** কোঁচৰাজবংশী সকলে বিবাহ কেনেধৰণৰ ৰীতি-নীতি পালন কৰে **?**

**(গ)** কোঁচৰাজবংশী সকলে জন্ম সম্পৰ্কীয় কি ৰীতি-নীতি গ্ৰহন কৰে **?** অনুস্থান কাৰ্য উলিয়াই

**(ঘ)** কোঁচৰাজবংশী সকলে মৃত্যু সম্পৰ্কীয় কেনেধৰণৰ আচাৰ ৰীতি - নীতি গ্ৰহণ কৰে **?**

উল্লেখিত প্ৰশ্ন সমূহৰ দ্বাৰা লাভ কৰা উত্তৰৰ আধাৰত প্ৰতিবেদন খন প্ৰস্তুত কৰা হৈছে ।

**০.০৮ প্ৰতিবেদন প্ৰস্তুত কৰা প্ৰদ্ধতিঃ** প্ৰতিবেদনখন প্ৰধানকৈ বিষয় বিশ্লেষণ আৰু বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে ।

**০.০৯ তথ্য আহৰণৰ প্ৰাথমিক উৎসঃ-** প্ৰতিবেদনখন প্ৰস্তুত কৰিবলৈ মহনাটিং গাঁৱৰ কেইবাজনো বিশিষ্ট ব্যক্তিৰ পৰা বিষয়টো সম্পৰ্কে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে বা।

**০.০১০ তথ্য আহৰণৰ গৌণ উৎসঃ -** প্ৰতিবেদনখন প্ৰস্তুত কৰিবলৈ কোঁচ ৰাজবংশী সকলৰ পৰিচয় বিভিন্ন প্ৰবন্ধপাতি সহায় লোৱা হৈছে। লগতে প্ৰয়োজন সাপেক্ষে ইণ্টাৰনেটৰো সহায় লোৱা হৈছে।

**০.০১১ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ** অসমৰ প্ৰাচীন জাতি কোঁচৰাজবংশী সকলৰ বিষয়ে পূৰ্বকৃত কোনেও অধ্যয়ন কৰা নাই এনে নহয়। কিন্তু কোচ জাতি সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধ-পাতি পোৱা গৈছে যদিও প্ৰতিবেদন পূৰ্বকৃত অধ্যয়ন কৰিবলৈ সেই সমূহ সমলেই পৰ্যাপ্ত নহয়। প্ৰত্যেক বিষয়ৰ পুংখানুপুংখ তথ্য আৰু বিশ্লেষনেহে বিষয় বস্তক প্ৰকৃত মাতা প্ৰদান কৰে। বৰ্তমান পৰিবেশ পৰিস্থিতি তথা সমল আৰু তথ্যপাতিৰ অভাৱত এই প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰিবলগীয়া পূৰ্বকৃত বিষয়টো বাদ পৰি গৈছে।

# ১ম অধ্যায়ঃ

**কোচ ৰাজবংশী সকলৰ চমু পৰিচয়ঃ** - বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি অসমৰ এটা অন্যতম প্ৰধান জাতি হৈছে কোঁচ ৰাজবংশৰ বংশী সকল। কোঁচ ৰাজবংশী সকল উত্তৰ পূব ভাৰতৰ এক বৃহৎ ক্ষতিয় জনগোষ্ঠী। কোঁচ ৰজা বিশ্বসিংহ নৰনাৰায়ণ আদিৰ বংশধৰ সকলকে সাধাৰণতে ৰাজবংশী বুলি কোৱা হয়। তেওঁলোকে পূৰ্বতে জনজাতি অৰ্থাৎ মংগোলীয় গোটৰ লোক আছিল যদিও পৰৱৰ্তী কালত হিন্দু ধৰ্ম গ্ৰহণ কৰি ভাষা সংস্কৃতি আদিৰ ক্ষেত্ৰত সংমিশ্ৰণ দেখা দিলে ফলত গোটেই জীৱন চক্ৰত এক নৱতম সাংস্কৃতিক পৰিক্ৰমাৰ আবিৰ্ভাৱ হলে।

অসমৰ গোৱালপাৰা(অভিভক্ত) আৰু কামৰূপ জিলাৰ কোঁচ ৰাজবংশী সকল "কোঁচ ৰাজবংশী" নামেৰেই অধিক পৰিচিত । অথচ গোৱালপাৰা জিলাৰ পশ্চিমাঞ্চলত ধুবুৰী আৰু কোকৰাঝাৰ মহকুমাত (বৰ্তমান ধুবুৰী জিলা আৰু কোকৰাঝাৰ, চিৰাং আৰু বঙাইগাঁও জিলাৰ কিছু অংশ বি.টি.এডি অন্তৰ্গত) বহু সংখ্যক চীনা- তিব্বতীয় জনজাতী এতিয়াও কোঁচ বুলিহে পৰিচিত । কোচ বিহাৰ, জলপাইগুৰি, দাৰ্জিলিং সমভূমি অঞ্চল আৰু ৰংপুৰৰ( অভিভক্ত বৰ্তমান বাংলাদেশৰ অন্তৰ্গত) ৰাজবংশী সকলে নিজকে কোচ বুলি স্বীকাৰ কৰিব নোখোজে। ইয়াক তেওঁলোকে অপমানজনক বুলি ভাৱে অথচ কোচ ৰজাসকলৰ লগত আত্মীয়তা গৌৰৱবোধ কৰে। শিৱেন্দ্ৰনাৰায়ণ কোচদেৱৰ মতে নিজকে ৰংজবংশী বুলি একমাত্ৰ গোৱালপাৰাৰ কোচসকলেহে পৰিচয় দিছিল ।

অসম আৰু বঙ্গৰ কোচ ৰাজবংশ ( কোচ জনগোষ্ঠীৰ নামেৰে হোৱা ) কমতা ৰাজ্যত শাসন কৰা এক শাসক গোষ্ঠী।১৪৯৮ চনত খেন ৰাজবংশৰ পতনৰ পিছত ১৫১৫ চনত কোচ ৰাজবংশই কমতা ৰাজ্য শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰে। কোচ ৰাজবংশৰ প্ৰথম ৰজা বিশ্ব সিংহ আৰু পুত্ৰদ্বয় পৰৱৰ্তী ৰজা নৰনাৰায়ণ আৰু সেনাপতি চিলাৰায়ে সোনকালেই কামৰূপ ৰাজ্যৰ পশ্চিম অংশ আৰু দক্ষিণ অসমৰ কিছু অংশ অধিকাৰ কৰে। পিছলৈ

বংশটো দুভাগ হৈ বেলেগ বেলেগকৈ কোচবিহাৰৰ আৰু কোচ হাজো শাসন কৰিবলৈ লয়। কোচবিহাৰ মোগলসকলৰ তলতীয়া হৈ পৰে আৰু কোচ হাজো আহোমৰ নিয়ন্ত্ৰণলৈ আহে। ব্ৰিটিছৰ শাসনত কোচ বিহাৰ তলতীয়া হৈ থাকি ভাৰতৰ স্বাধীনতা লাভৰ পিছত নিঃচিহ্ন হৈ পৰে। খাজপুৰত প্ৰতিষ্ঠা লাভ কৰা ৰাজবংশৰ সৈতে এটা তৃতীয় শাখা কছাৰী ৰাজ্যৰ অন্তৰ্গত হৈ পৰে।

কোচসকলৰ শাসনৰ আগতে ক্ষমতাত থকা শেষজন ৰজা আছিল নীলাম্বৰ। ১৪৯৮ চনত  পৌৰৰ আলাউদ্দিন হুছেইন আৰু তেওঁক পৰাস্ত কৰি ৰাজ্য অধিকাৰ কৰে আৰু পুত্ৰ দানিয়েলক ইয়াৰ শাসনকৰ্তা পাতে। কিছুদিন পিছত হাৰুপ নাৰায়ণৰ নেতৃত্বত বাৰভূঞাসকলে দানিয়েলক যুদ্ধত পৰাস্ত কৰি বধ কৰে।

এনে সময়তে কোচ ( মেচ ) জনগোষ্ঠীৰ নেতা হাড়িয়া মণ্ডল আৰু তেওঁৰ কোচ পত্নী হীৰাৰ বিশু নামৰ এজন পুত্ৰ জন্ম হয়। বিশুৱে ডাঙৰ হৈ ভিন ভিন জনগোষ্ঠীবোৰক একত্ৰিত কৰি বাৰভূঞাসকলৰ পৰাস্ত কৰে আৰু সমস্ত কমতা অঞ্চলৰ শাসনভাৰ লয়। তেৱেঁই বিশ্ব সিংহ নাম গ্ৰহণ কৰে ।

ব্ৰিটিছ শাসনত কোচ বিহাৰ বুলি জনা যোৱা ৰাজ্যখন ৪ৰ্থ শতিকাৰ পৰা ১২০০ শতিকালৈ কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল আৰু ইয়াত বৰ্মন,ম্লছ আৰু পাল ৰাজবংশই শাসন কৰিছিল। ১২০০ শতিকাৰ পৰা অঞ্চলটো কমতা ৰাজ্যৰ অন্তৰ্গত হয় য'ত প্ৰথমে খেন ৰাজবংশই ৰাজধানী কমতাপুৰৰ পৰা ৰাজত্ব কৰে। সকলোতকৈ প্ৰখ্যাত খেন শাসকসকল আছিল নীলধ্বজ(১৪৪০-১৪৫০), চক্ৰধ্বজ (১৪৬০-১৪৮০) আৰু নীলাম্বৰ (১৪৮০-১৪৯৮)। থলুৱা জনগোষ্ঠী খেনসকলে প্ৰায় ১৪৯৮ চনলৈকে ৰাজত্ব কৰে। তাৰ পিছত পৌড়ৰ স্বাধীনতা পাঠান চুলতান আলাউদ্দিন হুছেইন ছাহৰ চক্ৰান্তত ৰাজ্য হেৰুৱায়। নতুন শাসকজন অহাৰ পিছত স্থানীয় বাৰভূঞা আৰু আহোম ৰজা চুহুংমুঙৰ লগত সংঘৰ্ষ হয় আৰু অঞ্চলটোৰ নিয়ন্ত্ৰণ হেৰুৱাই পেলায়।

মুছলমান সকল গুছি যোৱাৰ পিছত ৰাজ্যখনত অশান্তিয়ে বিৰাজ কৰে। এই সময়তে স্বাধীনতা ভূঞাসকলে সৰু সৰু ঠাই শাসন কৰিবলৈ লয়। এওঁলোকৰ মাজত হাজো নামৰ এজন কোচ  ভূঞাৰ জীৰা আৰু জীৰা নামৰ

দুজনী জীয়েক আছিল। অঞ্চলটোৰ সিপাৰে সংকোশ নদী আৰু চম্পাৱতী নদীৰ মাজত চিকপা পাহাৰ অঞ্চলটো ( বৰ্তমান গোৱালপাৰা জিলাৰ ধুবুৰীৰ পৰা প্ৰায় ৮০ কিলোমিটাৰ উত্তৰে ) হাৰিয়া মণ্ডল নামৰ এজন মেছ নেতাই শাসন কৰিছিল। চিকপাৰ লগত সম্পৰ্ক গঢ়ি তুলিবলৈ হাজোৱে তেওঁৰ জীয়েক দুজনী হাৰিয়া মণ্ডললৈ বিয়া দিলে। জীৰাৰ গৰ্ভৰপৰা শিশু ( শিৰসিংহ ) আৰু বিশু ( বিশ্ব সিংহ ) ৰ জন্ম হয়। চাৰিজন ককাই - ভাইৰ মাজত বিশু সকলোতকৈ বুধিয়ক আৰু শক্তিশালী আছিল।

প্ৰবাদমতে এদিন চাৰি ককাই-ভায়ে দেৱী ভাগৱতীক প্ৰাৰ্থনা কৰি আছিল আৰু ধেমালীতে তেওঁলোকৰ এজন বন্ধুক বলি হিচাপে আগবঢ়ায় । তাৰপিছত আচৰিতভাৱে বন্ধুজনৰ মূৰটো গাৰপৰা কাটি খহি যায়। তুৰ্কৰ কটোৱালে তেওঁলোকক কৰায়ত্ত কৰিবলৈ আদেশ দিলে তেতিয়া তেওঁলোকে অৰণ্যলৈ পলাই যায়।

পিছত তেওঁলোকে সৈন্য, হাতী আদি গোটাই তুৰ্ক কটোৱালক আক্ৰমণ কৰে। মদন যুদ্ধত নিহত হয় আৰু তাৰ প্ৰতিশোধ ল'বলৈ বিশ্ব সিংহই তুৰ্ক কটোৱালক হত্যা কৰে। মাহী আই জীৰাৰ দুখ পাতলাবলৈ বিশ্ব সিংহই চন্দনক ৰজা পাতে। এনেদৰে ১৫১০ চনত কোচ ৰাজ্যৰ আৰম্ভণি হয়।

# দ্বিতীয় অধ্যায়ঃ

২.০ কোঁচ ৰাজবংশীৰ সামাজিক লোকাচাৰ

২.১ লোক উৎসৱ অনুষ্ঠান

## ঋতুকালীন উৎসৱ অনুষ্ঠানঃ-

**হুদুম দেওৰ পূজাঃ-** সুদুম দেওৰ পূজা কোচ ৰাজবংশী সমাজৰ আন এক লোককৃষ্টি । যেতিয়া খৰাং হয় পথাৰে চিৰাল ফাঁট দিয়ে তেতিয়া বৰষুণ কামনা কৰি মহিলাসকলে সেই পূজাৰ আয়োজন কৰে। সুদুম পূজা মহিলাসকলে , পুৰুষসকলৰ অংশগ্ৰহণ নিষেধ।

এই পূজাৰ বাবে এটা সুদুম চৰাই বেল গছৰ পুলি অনা হয়।আঊসীঁৰ নিশা পথাৰৰ মাজত বা নৈৰ পাৰত এডাল খুঁটিত বান্ধি মহিলাসকলে সম্পূৰ্ণ বিবস্ত হৈ খুঁটিৰ চাৰিওফালে ঘুৰি ঘুৰি গোটেই নিশা নৃত্য-গীত কৰে ।

নিশাৰ আন্ধাৰত নৃত্য-গীসমূহ যৌগগন্ধী আৰু এনে নৃত্য গীতেৰে সুদুম দেওৰ প্ৰতীক সুদুম চৰাই বা কলগছৰ পুলিৰ ওচৰত প্ৰকৃতিৰ ঊৰ্বৰতা শক্তি তথা বৰষুণ কামনা কৰি কৰা এই অনুষ্ঠানত প্ৰজননৰ ভাবনা প্ৰকাশিত হয় । লোকবিশ্বাস অনুসৰি সুদুম দেও সন্তুষ্ট হ'লে পৃথিৱীত ধাৰাষাৰে বৰষুণ হয়।

পূজাৰ একাংশ গীত এনেধৰণৰ __

সুদুম দেও সুদুম দেও

আমাক ফটিক পানী দেও

আমাৰ দেশত নহি পানী

জীৱন লয়া টানা-টানি ।

সুদুম দেও সুদুম দেও

এক চালকা পানী দেও

দুৱায় আকি নহি পানী

দুৱায় ছুতি বাবা বাবা পানী

কালা মেঘ ধৰা মেঘ মৰে মোদৰ ভাহি

প্ৰকঝক পানী দেও গাও ঠুকা চহি

কালা মেঘ ধলা মেঘ ডাকেয়া আন বাৰি

আন্ধাৰ কৰিয়া দেওয়া আইসে দাবৰি।

## আগ অনাঃ

আগ অনা  কোচ ৰাজবংশী সমাজৰ কৃষিৰ লগত জড়িত থকা উৎসৱ। এই আণ আনা পৰাই পথাৰৰ সোণগুটি ঘৰলৈ অনাৰ পৰ্ব আৰম্ভ হয়। এই উৎসৱ আঘোন মাহৰ ভাল দিন এটা চাই পতা হয় ।

এই পূজাৰ দিনা গৃহস্থই ঘৰ্ষণ পাৰি মাটি শুদ্ধ কৰাৰ পিছত এটা পাতত পূজাৰ বাবে বিভিন্ন সামগ্ৰী যেনে : তামোল-পাণ, চাউলৰ গুৰি , সেন্দুৰ , থুৰি কলৰ পাত , কাঁচি আদি সামগ্ৰী পথাৰলৈ লৈ যোৱা হয়।

পথাৰলৈ গৈ পোৱাৰ পাছতেই লৈ যোৱা বস্তুসমূহ কিছু নীতি-নিয়মৰ মাজেৰে আগবঢ়োৱা হয়। তাৰ পিছতেই কলৰ পাতেৰে তিনি গচি ধান মেৰিয়াই কাঁচিৰে কাটি পাতত তুলি ঘৰলৈ নিয়া হয় ।

আচলতে এই পূজা হ'ল পথাৰৰ পৰা লক্ষিমীক ঘৰলৈ অনা । সেয়েহে পথাৰৰ পৰা আহি ঘৰ সোমায়েই ঘৰৰ দুৱাৰখন বন্ধ কৰি দিয়া হয় । লোকবিশ্বাস অনুসৰি বন্ধ নকৰিলে লক্ষিমী আই ঘৰৰ পৰা ওলাই যায়।

তাৰ উপৰিও এই পূজা কৰিবলৈ যাওঁতে বা আহোঁতে বাটত কাৰো লগত কথা পাতিব নাপায় বা পিছফালে ঘূৰি চোৱাও নিষেধ। নহ'লে লক্ষিমী আইয়ে খং কৰে বুলি জনবিশ্বাস এটা আছে।

## ২.২ পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠানঃ-

**বাঁশ পূজাঃ-** বাঁশ পূজা হ'ল কোচ ৰাজবংশী সকলৰ আন এক বৈশিষ্ট্যপূৰ্ণ লোক উৎসৱ। এই উৎসৱ চ'ত মাহৰ মদন চৰ্তুদৰ্শী তিথিৰ দিনা পতা হয়। বাঁশ পূজাত মদন আৰু গোপালৰ প্ৰতীকৰূপে তিনিডাল বাঁহ চাফ-চিকুণ কৰি প্ৰথমডালত বগা কাপোৰেৰে আৰু দ্বিতীয়ডালত ৰঙা কাপোৰ মেৰিয়াই বাঁহ দুডালৰ আগলিত দুটা চোঁৱাৰ বান্ধি ওচৰা-ওচৰি কৈ পোতা হয়।

আনহাতে, তৃতীয়টো ডালত জাকৈ , খালৈ আৰু এখন অৰ্ধভগ্ন নাঙল ওলমাই অলপ আঁতৰত পোতা হয়। ৰঙা কাপোৰ আৰু বগা কাপোৰ মেৰিওৱা বাঁহ দুডালত যথাক্ৰমে প্ৰকৃতি আৰু পুৰুষ হিচাপে গণ্য কৰা হয়।

বাঁহ কেইডালৰ গুৰিত তিনিদিন ধৰি পূজা তথা বিভিন্ন ধৰণৰ প্ৰসাদ আদি আগবঢ়োৱা হয়। তাৰ উপৰিও ডেকা-বুঢ়া সকলোৱে বিভিন্ন বাদ্যযন্ত্ৰ বজাই নৃত্য-গীত কৰি বাঁহ দেৱতাক সন্তুষ্ট কৰিবলৈ যত্নকৰে।

তিনিদিন ধৰি চলা পূজাৰ পিছত চতুৰ্থ দিনা গোসানী পূজা অৰ্থাৎ পূজাৰ সকলোবোৰ বস্ত বিসৰ্জন দিয়া হয়।

পিছদিনা নদীৰ বাঁহ তিনিডাল বিসৰ্জন দি কলগছৰ ভেল সাঁজি কৰি তাত এযোৰ পাৰ চৰাই আৰু এটা পঠা ছাগলী নদীত উটোৱাই দিয়া হয় । লোকবিশ্বাস অনুসৰি এনেদৰে ভেল এৰি দিলে বছৰটোৰ কাৰণেই বেমাৰ-আজাৰ, অপায়-অমংগল দূৰ হয় ।

**বিষুৱাঃ** বিষুৱা হৈছে কোচ ৰাজবংশীৰ জাতীয় উৎসৱ।চ'ত মাহৰ সংক্ৰান্তিৰ পৰাই এই উৎসৱ আৰম্ভ হয় আৰু ৬ ব'হাগ লৈ চলে। সম্পূৰ্ণ ৭দিন ধৰি চলা বাবেই ইয়াৰ আন এটা নাম 'সাত বিহুৱা' ।

চ'তৰ সংক্ৰান্তিৰ দিনা গৃহস্থই পুৱাতে উঠি মুখ হাত নুধুৱাকৈ আগদিনাই আনি থোৱা বেতৰ পাত , বিহ কুতুলীৰ পাত ( বিহলঙনী) ,কাতুৰিৰ ফুল ,

দীঘলতীৰ পাত , কানমিচাৰ পাত, বিষঢেকীয়া , ভেটমালিৰ পাত আৰু ফুল আদি একেলগে কৰি প্ৰত্যেকটো ঘৰৰ মাৰলত, পদূলিত, নঙলামুখত , তাঁতশালত গুজি দিয়া হয় ।

ইয়াৰ লগে লগে ঘৰৰ গৰুৰ লাও - বেঙেনাৰ মালা পিন্ধাই নৈ বিল পুখুৰী আদিত নমাই দীঘলতীৰ পাতেৰে কোবাই কোবাই গা ধুৱাই গৰখীয়াই এইদৰে গীত গাই—

লাও খা বেঙেনা খা

বছৰে বছৰে বাঢ়ি যা

বাপ সৰু মাৰ সৰু

তই হৈছ মোটা গৰু ।

ঠিক সেইদৰে এই বিষুৱাতে কোচ ৰাজবংশীৰ সমাজত সাত শাক কাটি অৰ্থাৎ সাতবিধ শাক একেলগে ৰান্ধি খোৱাৰ নিয়ম আছে।

ইয়াৰ বাবে মহিলাসকলে সমূহীয়াভাৱে ওচৰৰ পাহাৰ বা হাবিত শাক তুলিবলৈ যায় আৰু মাটিপিঠা,ঢেকীয়া, বেতৰ গাজ ,ৰঙা তিনপতিয়া ,নিমপাত , আমৰ ফল , আদিবোৰ তুলি আনে ।

লোকবিশ্বাস মতে সাত শাক ৰান্ধি খালে বছৰটোৰ বাবে ৰোগৰ বীজাণু বেমাৰ আজাৰৰ পৰা পৰিত্ৰাণ পোৱা যায়। এইদৰে উলাহেৰে কোঁচ ৰাজবংশী সমাজত জাতীয় উৎসৱ বিষুৱা পালন কৰা হয়।

## ২.৩ সংস্কাৰ মূলক উৎসৱ অনুস্থানঃ

কোচঁৰাজবংশী সমাজত কিছুমান আচাৰ অনুস্থান পৰম্পৰা গত ভাৱে চলি আহিছে। অঞ্চল ভেদে ইয়াৰ ভিন্নতা থাকিলেও ইয়াৰ মূলতে যে কৃষিভিত্তিক সমাজ লুকাই আছে।কৃষিজীৱী সমাজৰ সৃষ্টি লোক সংস্কৃতিৰ উপাদান স্বৰূপে বিভিন্ন আচাৰ ,অনুস্থান , বিশ্বাস আদিত লুকাই আছে। কোঁচ

ৰাজবংশী সমাজত প্ৰচলিত বিভিন্ন আচাৰ অনুস্থান, বিশ্বাস আদিৰ বিষয়ে এটি চমু আলোচনা কৰা হল -

## (১) জন্ম লগত জড়িত উৎসৱ অনুস্থানঃ-

জন্মৰ আচাৰ বুলি কলে গাঁৱত বাস কৰা সাধাৰণ কৃষকৰ শিশুৰ জম্মক কেন্দ্ৰ কৰি কোঁচ ৰাজবংশী সমাজত প্ৰচলিত কিছুমান স্ত্ৰী - আচাৰ লোক বিশ্বাস আৰু ৰীতি-নীতিৰ প্ৰচলন আছে। স্ত্ৰী আচাৰ বোৰ বিবাহিত মহিলাই গৰ্ভধাৰণ কৰা অৱস্থাৰ পৰা আৰম্ভ কৰি শিশুৰ জন্মৰ পাছলৈকে পালন কৰা হয়। বিবাহিত মহিলাই গৰ্ভধাৰণ কৰিলে ৰাজবংশী সমাজত 'গাঁওভাৰি' বুলি কয়। সেইশ্ৰদ্ধা ঘৰত শিৱ বা সময়ছোৱাত মহিলা গৰাকীক কিছুমান নিয়ম নীতি মানি চলিব লাগে। তেতিয়া সাধাৰণতে মহিলা গৰাকীক গধুৰ বস্তু তোলা আৰু ঘৰৰ কামকাজ বোৰ বেছিকৈ কৰিব দিয়া নহয় । মহিলা গৰাকীৰ ৰুচিমতে সকলো অহাৰ গ্ৰহণ কৰিব পাৰে। ৰাতি অকলে বাহিৰে হোৱা,খৰা বৰ অৰ্থাৎ শনিবাৰ আৰু মংগলবাৰে বাহিৰলৈ যোৱা । নৈ-বিল পৰা হোৱা, শ্ৰাদ্ধৰ ঘৰত খোৱা আদি নিষেধ । এইবোৰ কৰিলে কিছুমান অনিষ্টকাৰী শক্তি লম্ভিব পাৰে আৰু গৰ্ভত সন্তানৰ অনিষ্ট হব পাৰে বুলি লোকবিশ্বাস কৰা হয়। অনিষ্টকাৰী শক্তিৰ পৰা ৰক্ষা পাবৰ কাৰণে গৰ্ভৱতী মহিলাই লগত লোৰ কটাৰী, শোৱা বিছনাত মাছ ধৰা চিঙা অংশ আদি ৰাখে।

গৰ্ভৱতী মহিলা পাঁচ মাহত পঞ্চমী আৰু সাত মাহত পিতৃৰ গৃহত 'সাধ' খুওৱাৰ নিয়ম। 'সাধ' খোৱা মহিলাৰ একান্ত অনুষ্ঠান । বিধৱা, সন্তানহীনা বা প্ৰথম সন্তানৰ মৃত্যু হোৱা মহিলাই এই অনুষ্ঠানত ভাগ লব নোৱাৰে । চন্দ্ৰ গ্ৰহণ, সূৰ্য গ্ৰহণ, পূৰ্ণিমা, অমাৱস্যা ,একাদশী , খৰা বাৰ আদি ' সাধ' খোৱা নিষেধ।

প্ৰসৱৰ সময়ত প্ৰসূতিগৃহত গোবৰ মাটিৰে পৰিস্কাৰ কৰা নিয়ম ৰাজবংশী সকলে প্ৰসৃতি গৃহক 'চুৱাঘৰ ' বুলি কয়। সন্তানক কলৰ আগলটি পাতত ভূমিষ্ট কৰোৱা হয়। বাঁহৰ ছকেনিৰে সন্তানৰ নাভি কাটে। প্ৰসূতি ফুল প্ৰসূতিগৃহ দুৱাৰ মুখতে পুতি থোৱাৰ নিয়ম। এই ফুল কিবা কাৰণত জন্তুৱে খাই পেলালে মাকৰ বুকুৰ গাখীৰ শুকাই যায় আৰু শিশুৱে শুকাই ক্ষিণাই

মৃত্যু মুখত পৰিব পাৰে বুলি ৰাজবংশী সকলে বিশ্বাস কৰে।

সন্তানক জন্মৰ তিনিদিনত 'এক কামান ' দিয়ে। ইয়াত শিশুৰ মূৰত চুলি খুৰাই দিয়ে আৰু নাপিতৰ দ্বাৰা মাতৃয়ে নখ কাটে। এমাহৰ পাছত 'দো কামান বা মাহেকীয়া দিয়ে। তাৰ পাছত গোঁসাইঘৰৰ পূজা- সেৱা কৰি শুদ্ধি হয়।

সন্তানৰ জন্ম কেইদিন পাছত গাৱঁৰ মহিলা সকল লগ হৈ সন্তান টোক বাহিৰলৈ উলিয়া বা কাজলি উলিয়াই। সন্তানটোক কলপাত এখনত চোতালত শুৱাই পতাত খুন্দিয়াই খুন্দিয়াই আৰতি সকলে এই  দৰে গায়-' জুইলৈ ভয় নকৰিবি,,"পানীলৈ ভয় নকৰিবি "।

## বৰ বিয়াঃ-

কোচ ৰাজবংশী সমাজত দৰাঘৰে ছোৱালী এজনী পছন্দ কৰাৰ পাছত বিবাহ অনুষ্ঠানৰ পূৰ্বৰে পৰা বিবাহ সম্পন্ন হোৱাৰ পৰৱৰ্তী সময়লৈকে কিছুমান লোকাচাৰ পালন কৰে। বিবাহ হ'ল এক আনন্দ উৎসৱ । ইয়াক ব্যক্তিজনে নিজে উপভোগ কৰিব পাৰে আনন্দ , বিষাদ আত্মীয় কুটুমৰ লগত লগ লাগি ৰং ৰইছক কৰোঁতে নীতি- নিয়ম কিছু । পৰম্পৰা আৰু কিছু সংখ্যক মানি চলা হয়। কোঁচ সমাজতো এই নীতি-নিয়ম  পৰম্পৰা সংস্কাৰ দেখিবলৈ পোৱা যায়।

অতীতৰ বিয়া এখন স্থানিকভাৱে উপলদ্ধ হোৱা বিভিন্ন সা-সামগ্ৰী খেল বা ৰাইজ মিলি সম্পন্ন কৰিছিল। বিয়া উল্লেখযোগ্য কামবোৰ হ'ল- খৰিফলা, চিৰা খুন্দা , পিঠা লাডু তৈয়াৰ কৰা, কলগছ পটুৱা, দোনা আৰু চাহৰ লগত খাবৰ বাবে মিঠে তৈয়াৰ কৰা হয়।

সাধাৰণতে দৰা ছোৱালী দুদিন উপভাসে থাকে। তেওঁলোকক খোৱাবৰ বাবে ঘৰৰ মানুহে ঢেকিত খুন্দা কোমল ধানৰ চিৰা তেওঁলোকৰ বাবে তৈয়াৰ কৰে। লগতে মাক আৰু দেউতাক বৰতট থাকে। মাকে টেকেলী ধৰিবৰ বাবে আৰু দেউতাকে হুমত বহি বিয়া দিয়াৰ কাৰণে উপবাসে থাকে আৰু দৰা

ঘৰৰ বা কইনা ঘৰৰ পদূলিমোৰত এযোৰ কলপুলি পুতি তাত এডাল আমদালি দিয়া হয়। তাৰ অৰ্থ হ'ল আমপাত চিঙি এখিলা এখিলাকৈ চিঙি গুলী সূতাৰে গাঠি এযোৰ  তামোলপাণ আৰু ফুল মাজে মাজে আমদালি ডালত গাঁথি দিয়া হয় । কোচ ৰাজবংশী সমাজত বিয়া এক পৰম্পৰা হ'ল দৰা কইনাক সেই দুদিনৰ বাবে ভগৱান বুলি মনা হয় । সেইবাবে উপবাসে থাকি ৰাতিলৈ নিৰামিষ খাবলৈ দিয়া হয়। পিছদিনা জোৰোণ নহালৈকে দৰা বা কইনাক একো খাবলৈ নিদিয়াকৈ থোৱা হয় যে তেওঁ ৰামচন্দ্ৰই দি পঠোৱা সকলো আ-অলংকাৰ কাপোৰ কানি গ্ৰহণ কৰাৰ পাছত তেওঁক দৰা ফালৰ পৰা অনা কাপোৰ কানি পিন্ধাই সমাজত সেৱা কৰোৱা হয় ।

## তামোলপাণ পেলোৱা বা আঙুঠি পিন্ধোৱা অনুষ্ঠানঃ

দৰা আৰু কইনাৰ দুয়ো ঘৰৰ সুবিধা অনুযায়ী বিয়াৰ পূৰ্বে এটি দিন ঠিক কৰি দৰাঘৰীয়া ভকত কেইজন মানক লৈ কইনা ঘৰলৈ যাত্ৰা কৰে। কইনা ঘৰৰ মানুহে দৰাঘৰীয়া ভকতসকলক হাত ভৰি ধুৱাই আদৰি ভিতৰলৈ নিয়ে । আসন পাৰি বহুৱাৰ পাছত ভকতসকলক চাহ তামোল-পাণ যোগান ধৰে। এইদৰে অপময় কৰাৰ পাছত দৰাঘৰে তামোল-পাণৰ শৰাই আগবঢ়াই বিয়াৰ কথা আলোচনা কৰে আৰু দৰাঘৰৰ মানুহে ছোৱালীক আঙুঠি পিন্ধাই ভকতসকলৰ আগত সেৱা কৰাই ।

এখন বিয়া আৰম্ভ কৰিবলৈ যাওঁতে দৰা ঘৰৰ মানুহে ছোৱালী  চাবলৈ যায় । ছোৱালী চোৱা  পিছত তেওঁলোকৰ পচন্দ হ'লে ছোৱালী ঘৰৰ মানুহক দৰাৰ ঘৰলৈ মাটি থৈ আহে । ছোৱালী ঘৰৰ মানুহে অহাৰ পিছত দুয়োঘৰৰ কথা-বতৰা পতাৰ পিছত বিয়াৰ দিন-বাৰ ঠিক কৰা হয়। আগতে আমাৰ এটা নিয়ম আছে তামোল-পাণ পেলোৱা বা আঙুঠি, পিন্ধোৱাই এটা দিন লৈ দৰা ঘৰৰ মানুহে আঙুঠি পিন্ধোৱাই অথবা তামোল-পাণ পেলায়। সেইদিনা দুয়ো ঘৰৰ মানুহ ৰভাৰ তলিত বহি দুয়ো ঘৰৰ মানুহে শৰাই আগবঢ়ায় দিয়ে। সেইদিনাৰে পৰাই দুয়ো ঘৰৰ মানুহ মিতিৰ হয়। সেইখিনি তামোল-পাণ ৰাইজে কাটি খাই । তাৰ পিছত আয়তীসকলে গোট খাই ছোৱালীক মূৰত তেল দিয়া , শিৰত দিয়ালৈকে আৰু লগতে আঙুঠি পিন্ধাই দিয়ে, সেইদিনাৰ পৰা দুয়ো ঘৰৰ মিতিৰালি আৰম্ভ হয় ।

## জোৰোণ দিয়াঃ-

জোৰোণ দিয়া কোচ ৰাজবংশী সমাজত বিয়াৰ লগত জড়িত এটা অনুষ্ঠান, জোৰোণ দিয়া দৰাঘৰৰ মানুহে কইনা ঘৰলৈ দিয়া উদ্দেশ্যে যাত্ৰা কৰে। তেওঁলোকে জোৰণত পাটৰ সাজ , মূগা সাজ , আ-অলংকাৰ প্ৰসাধন দৈ ,মিঠাই,মাছ আদিৰ সৈতে ভোজনি এটি কইনাৰ মাকলৈ এসাজ কাপোৰ ইত্যাদি লৈ আহে । জোৰোণ আহি কইনা কইনা ঘৰৰ পদূলি পোৱাৰ পাছত দৰা কইনা দুয়ো ঘৰে তামোল-পাণেৰে  শৰাই আগবঢ়ায় সেৱা কৰি জোৰোণক ৰভাতলীলৈ আগবঢ়াই আনি বহিবলৈ দিয়ে । জোৰোণত অনা বস্তসমূহ প্ৰথমে ৰভাতলিত থয় তাৰপিছত টেকেলি ধৰা মহিলা গৰাকী আৰু কেইগৰাকীমানে দৰাঘৰীয়া আয়তীসকলে ৰাইজক সেৱা কৰি জোৰোণৰ বয় বস্তুসমূহ ভিতৰলৈ অৰ্থাৎ কইনাৰ ওচৰলৈ লৈ যায়। ইয়াৰে পাটৰ সাজ, আ-অলংকাৰ, প্ৰসাধন সামগ্ৰী ইত্যাদি কইনাক অৰ্পন কৰে আৰু মাছ ভোজনি আৰু এযোৰ কাপোৰ কইনাৰ মাকক প্ৰদান কৰা হয়। তাৰপিছত দৰাঘৰীয়া আয়তীসকলে প্ৰথমে উৰুলি দি কইনাৰ মূৰত তেল দি মূৰ ফলিয়াই সেন্দুৰ দি দৰাঘৰৰ পৰা নিয়া বস্ত অলংকাৰ পিন্ধাই কইনাক সজায় আৰু মিঠাই খোৱায় । কইনাক সজোৱাৰ পাছত ৰভাতললৈ নি ভকতসকলৰ ওচৰত সেৱা কৰাই আৰু ভকতে আশীৰ্বাদ দিয়ে। কইনা ঘৰৰ মানুহে সাধ্য অনুসৰি দৰাঘৰীয়াক মান ধৰে আৰু খোৱা বোৱা কৰাই জোৰণক বিদায় দিয়ে ।

## পানী তোলা পৰ্বঃ

জোৰোণ দিয়া গধূলি আয়তীসকলে গোট খাই ৰাইজৰ ফালৰ পৰা গায়ন-বায়ন লগত লৈ পানী তুলিবলৈ লৈ যায় । পানী তুলি অনা পাছত দৈবকীয়ে দৰা বা কইনাক মাহ হালধীয়ে গা - ধুৱাই দৰা কইনাৰ  মূৰত চাউল দিয়ে আৰু নাম গুণ গায়।

## গাঁথিয়ান খুন্দা পৰ্বঃ-

গাঁথিয়ান খুন্দা পৰ্ব তিনিগৰাকী আয়তীয়ে আৰু তিনিগৰাকী অকণমানি ছোৱালীৰ  সৈতে কইনাক

## (৩) মৃতকৰ সংস্কাৰৰ লগত জড়িত উৎসৱ অনুষ্ঠানঃ

কোচ ৰাজবংশীসকলৰ মাজত বৈদিক আচাৰ আৰু লোকাচাৰ এই দুই ধৰণৰ মৃত্যুৰ আচাৰ ব্যৱস্থা দেখিবলৈ পোৱা যায়। বৈদিক আচাৰবোৰ প্ৰায় বৰ্ণ হিন্দু সমাজৰ আচাৰৰ লগত মিলে । লোকাচাৰবোৰ শাক্ত, বৈষ্ণৱ, উপবীতধাৰী , উপবীত নোহোৱা , নাৰী-পুৰুষ, স্থান-কালভেদে ভিন ভিন লক্ষ্য কৰা যায়। চিতা উৰ্চগা,চতুৰ্থা ,দহা আৰু আদ্যশ্ৰদ্বাদি অনুষ্ঠানৰ বৈদিক আচাৰবোৰ পশ্চিম অসমৰ ৰাজবংশী সকলৰ মাজত কামৰূপী বা অসমীয়া ব্ৰাক্ষ্মণেই সম্পন্ন কৰে। মৃতদেহ শ্মশানলৈ নিয়াৰ সময়ত ৰাজবংশী লোকসকলে শৱৰ লগত যাঁওতে 'হৰিনাম' সংকীৰ্তন কৰে আৰু কেতিয়াবা অকল মুখেৰে 'বোল হৰি ,হৰি বোলা , ধ্বনি দিয়ে।

ৰাজবংশী সমাজত প্ৰচলিত মৃতকৰ লগত জড়িত কিছুমান আচাৰ হ'ল - মৃত্যুৰ চাৰিদিনৰ পাছত অৰ্থাৎ চতুৰ্থাৰ দিনা জীয়েক আৰু জোঁৱায়েকে পিণ্ড দি শ্ৰাদ্ধানুষ্ঠান কৰে। মুখাগ্নি কৰাজনে অশৌচৰ সময়ত গৃহকৰ্মাদি কৰা নিষেধ। হবিষান্ন খায়, আন পুত্ৰসকলেও হবিষন্ন গ্ৰহণীয় । ভাবি গোষ্ঠীয়ে অশৌচৰ সময়ত নিৰামিষ আহাৰ খায়। দহ দিনৰ পাছত দহা কাৰ্য । ব্ৰাহ্মণ পুৰোহিতৰ দ্বাৰা দহাৰ যাৱতীয়ে বৈদিক আচাৰ পালন কৰা হয়। দহাৰ পাছত অনুষ্ঠিত আদ্যশ্ৰাদ্ধৰ দিন দিন বিভিন্ন খেলৰ পৰম্পৰা অনুযায়ী পালন কৰা দেখা যায়। শ্ৰাদ্ধৰ আগদিনা 'মেউৰ' হয় । উক্ত দিনা পৰিয়ালৰ আৰু নিকট আত্মীয়ৰ সকলো পুৰুষ সদস্যই 'সৌৰ কৰ্ম ' সম্পাদন কৰি পবিত্ৰ হয় । পিতৃ-মাতৃ ঢুকালে পুত্ৰই "মুণ্ডন" কৰা নিয়ম আছে ।

আদ্যশ্ৰাদ্ধৰ সকলো বৈদিক ক্ৰিয়া-কৰ্মাদি ব্ৰাহ্মণৰ দ্বাৰাই কৰা হয়। কণ্ঠহাৰী বিপ্ৰক গৰু দান দিয়া নিয়ম ৰাজবংশী সমাজত আছে। পৰিয়ালৰ সাৰ্মথ্য অনুসৰি শ্ৰাদ্ধ কৰা হয়। শ্ৰাদ্ধৰ পিছদিনা মৰিন্তণ আৰু মৎস্য স্পৰ্শৰ নিয়ম ।

## ২.৪ . লোকধৰ্মঃ

ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাৰ ক্ষেত্ৰত সম্প্ৰতি কোচ ৰাজবংশী সকলে আৰ্য সংস্কৃতিৰ ৰীতি–নীতি পৰম্পৰা আদি মানি চলিলেও তেওঁলোকৰ বেছিভাগ অনুষ্ঠানতে জনজাতীয় বৈশিষ্ট্য বিদ্যমান। বেছিভাগ পূজা–পাতালতে নৃত্য আৰু গীতৰ প্ৰচলন আছে। ৰাজবংশী সকলে দেৱ–দেৱী, অৰ্থাৎ নিৰ দেৱতা , বনদেৱতা ইত্যাদি মানি চলে। ধৰ্মীয় বিশ্বাসৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত শিৱ, শাও আৰু বৌদ্ধ তন্ত্ৰাদিৰ মিশ্ৰণ পোৱা যায়।

হিন্দু কোচ ৰাজবংশী সকলৰ মাজত শংকৰী সংস্কৃতিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। অলেখ মতানুষ্ঠান কোচ ৰাজবংশী লোকসকলে চলাইছিল বুলি জনা যায়। এতিয়াও পশ্চিম অসমৰ ৰামৰায় কুটি,জিকাটা, শিমলাকাৰী ,কুৰ্শাকাট আদি আৰু পশ্চিমবংগৰ কোচবিহাৰ জিলাত থকা মাধপুৰ, বৈকুণ্ঠপুৰ ,কাকতকুটা,মধুপুৰ আদি সত ৰাজবংশী লোকসকলে চলাই আছে।

বৰ্তমান পশ্চিম অসমৰ সৰহভাগ ৰাজবংশীয়ে শাক ধৰ্মত বিশ্বাসী। ইয়াৰ বৈষ্ণৱপন্থী লোকসকলৰ বেছিভাগেই সহজীয়া গৌড়ীয় বৈষ্ণৱপন্থী । শাক্ত ৰাজবংশী লোকসকলে যেতিয়া মাংগলিক অনুষ্ঠানৰ আয়োজন কৰে তেতিয়া তেওঁলোকে গোড়ীয় বৈষ্ণৱ পদ্ধতিত সংকীৰ্তনবাদি কৰা দেখা যায়। শংকৰী আৰু গৌড়ীয় বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ প্ৰাচীন পৰম্পৰাৰ কিছু সংস্কাৰ সাধন কৰিছিল।

## ২.১ খেল ধেমালিঃ

কোঁচ ৰাজবংশী সকলৰ মাজত কিছুমান খেল –ধেমালি খেলা দেখিবলৈ পোৱা যায়। বহাগ বিহুৰ সময়ত কোঁচ ৰাজবংশী সমাজৰ লোক সকলে খেলা কেইটামান খেল হল –

### কণী যুজঁঃ

কণী যুজঁ অসমৰ এটি প্ৰিয় খেল । বহাগ বিহুৰ কেইদিনমান আগৰে পৰা ই আৰম্ভ হৈ বিহুৰ উৰুকালৈকে কণী যুজঁ চলি থাকে । যুঁজত সাধাৰণতে

পাতিহাঁহৰ কণীৰে যুঁজাই খেলাৰসকলে  বিভিন্ন ঠাইৰ পৰা টান কণী কিনি আনি যুঁজলৈ সাজু হয়। টান কণীৰ নাম সৈয়া (বা হিয়া)কড়ি অথবা নখেৰে টুকটুকীয়াই কণীৰ কাঠিন্য নিৰূপণ কৰিব লাগে। কণী যুঁজৰ আগতে দুই যুঁজাৰুৰ মাজত দৰ–দাম ঠিক কৰা প্ৰয়োজন। দৰ–দামৰ কণীৰ জোঙা আৰু বহল এই ফাল দুটাৰ কোনটোৰ দ্বাৰা কণীৰ যুঁজোৱা হব তাকেই বুজায়। দৰ–দাম ঠিক হোৱাৰ পাছত এজনে কণীৰ এটা ফালেৰে আনজনৰ কণীটোত নিৰ্দিষ্টকৈ দিয়া ফালটোত খুন্দা মাৰি দিয়ে। যাৰ কণী ভাগে তেওঁ কণীটো কণী  নভগাজনক দিব লাগে । কোনো কোনোৱে হাঁহ কণীৰ মাজত দুই এটা কুকুৰা কণী নাইবা পিণি ফাউলৰ কণী মিহলাই কণী যুঁজায়। কণী যুঁজত আবাল বৃদ্ধ বনিতা সকলোৱে গ্ৰহণ কৰে।

## ২.২ ৰছীটনা খেলঃ

ৰছী টনা খেলটোও অতীজৰে পৰাই জনপ্ৰিয় খেল। সৰু ডাঙৰ সকলোৱে এই খেল খেলিব পাৰে। ইয়াত কোনো বয়সৰ সীমা নাই। এই খেলটো সাধাৰণতে অসমৰ মাঘ আৰু বহাগ বিহুৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা খেল ধেমালিৰ অংশৰূপে প্ৰায়ে খেলা দেখা যায়।

ৰছীটনা খেলৰ খেলুৱৈ সকল দুটা দলত বিভক্ত হৈ ৰছীডালৰ কেন্দ্ৰৰ পৰা দুই ফালে এটা সমান দুৰত্বত অৱস্থান কৰিবলৈ দিয়া হয়। ৰছীডালৰ কেন্দ্ৰত ঠিক পোনে পোনে মাটিত এটা চিহ্ন দিয়া হয় যাতে কোন দলৰ জোৰ বেছি বা কোন দলে ৰছীডাল নিজৰ ফাললৈ বেছিকৈ টানি নিব পাৰিছে সেইটো সহজেই নিৰূপণ কৰিব পাৰি। এতিয়া সকলো সাজু হোৱাৰ পিছত কোনো এজন লোকক ( দলৰ বাহিৰৰ) বিচাৰক ৰূপে নিয়োগ কৰি খেল আৰম্ভ কৰা হয়। কোনো কোনো ঠাইত বিচাৰক নাথাকিলেও  খেল খেলা হয়। বিচাৰক থাকিলে বিচাৰকৰ নিৰ্দেশক্ৰমে খেল আৰম্ভ কৰা হয় বা ৰছীডাল দুই দলে দুয়ো ফালে টনা হয় । প্ৰথমে নিৰ্দেশ পোৱাৰ লগে লগে দুই দলে ৰছীডাল যিমান পাৰি টানি টানি আৰম্ভ কৰি দিয়ে। এনেকৈ টনা টনি কৰি কেন্দ্ৰৰ পৰা যি দলে ৰছীডাল সৰ্বাধিক দূৰ টানি নিব পাৰিছে সেই দলে এই এককৈ নম্বৰ পায় বুলি ধৰা হয়। এনেকৈ তিনিবাৰলৈ সুবিধা দিয়া হয় এটা

দলক, মুঠ তিনিবাৰৰ ভিতৰত যদি এটা দলে সৰ্বাধিক দুবাৰেই ৰছীডাল কেন্দ্ৰৰ পৰা নিজৰ ফাললৈ টানি নিবলৈ সক্ষম হয় । তেনেহলে সেই দলে দুই নম্বৰ পায় আৰু বিপৰীত দলে এক নম্বৰ পায়। এনেকৈ মুঠ তিনিটা ৰাউণ্ডৰ খেল অনুষ্ঠিত আৰু সেই তিনি ৰাউণ্ডৰ ভিতৰত যি দলেই সৰ্বাধিক নম্বৰ আহৰণ কৰিবলৈ সক্ষম হয় সেই দলকেই বিজয়ী দল বুলি ঘোষণা কৰা হয়।এই খেলৰ নিয়ম বা খেলৰ নাম ঠাই বিশেষে বেলেগ হব পাৰে।

## শিশুৰ খেল ধেমালিসমূহঃ

কোচ ৰাজবংশী শিশু সকলৰ মাজতো বহুতো খেল–ধেমালি দেখা যায়। শিশুৰ এই খেল ধেমালিবোৰ স্বভাৱতেই গীত সমৃদ্ধ হয়। ঠাই বিশেষে শিশুৰ খেল ধেমালিৰ লগত জড়িত গীতবোৰ সুকীয়া সুকীয়া। অসমত প্ৰচলিত কিছুমান শিশুৰ খেল ধেমালি হ৩ল :

## ১)কপটি বা হৈ গুদুঃ

কৰটি বা হৈ গুদু খেলটো অসমৰ গ্ৰামাঞ্চলত শিশু সকলৰ মাজত জনপ্ৰিয়। সাধাৰণতে মুকলি খেলপথাৰত হৈ গুদু খেলা হয়। মাটিত মাজতে এডাল আঁক পাৰি দুফালে দুটা দল হৈ এদলৰ এটাই আন দলটোৰ যিকোনো এজনক একে উশাহতে চুবলৈ যায়। খেদি যোৱাজনৰ মুখত উশাহ নসলোৱাকৈ এটা গীত গাই হাতেৰে চুই সাৰি আহিব পাৰিলেই চুই অহাজন খেলৰ পৰা বাহিৰ হৈ যাব লাগে। লগে লগে আনটো দলৰ এটাই উশাহ নসলোৱাকৈ মুখত আন এটা গীত গাই বিপৰীত দলৰ খেলুৱৈ বোৰক খেদি আহে। এইদৰেই খেল চলি থাকে। যিদলৰে আটাইকেজন খেলুৱৈ মৰি মৰি খেলৰ পৰা বাহিৰ হব সেইদলটো হাৰিব আৰু আনটো দল জিকিল বুলি ধৰা হয়।

## ২. কুকুৰা যুঁজঃ

সৰু লৰা–ছোৱালীৰ মাজত কুকুৰাযুঁজ খেলবিধ খেলা দেখা যায়। সাধাৰণতে লৰাবোৰেহে এই খেলত অংশ লয়। কুকুৰা যুঁজ খেলৰ বাবে

কোনো আহিলাৰ প্ৰয়োজন নহয়। সাধাৰণতে খেলুৱৈ সমূহ দুটা দলত বিভক্ত হয়। দুই দলৰ একো একোজন খেলুৱৈয়ে বাওঁহাতত সোঁকান্ধ থৈ সোঁহাতেৰে সোঁভৰি ভাঙি ধৰি ইটোৱে সিটোক খুন্দা মাৰে, এইদৰে খুন্দিয়া খুন্দি লাগি থাকে যেতিয়ালৈকে কোনো এজনৰ হাত সুলকি নপৰে বা বাগৰি নপৰে । যিজনৰ প্ৰথমেই হাত সুলকিব বা বাগৰি পৰিব সেইজন হাৰিল বুলি ধৰা হয় আৰু আনজন জিকিল বুলি ধৰা হয়। এইদৰেই দুই দলৰে এজন এজনকৈ যুঁজ লাগে। এটা সময়ত যি দলে বিপক্ষ দলৰ সকলো খেলুৱৈক হৰুৱাবলৈ সক্ষম হয় সেই দলকেই বিজয়ী হয় বুলি ধৰা হয়।

## ৩. ৰজা–ৰাণী খেলঃ

গ্ৰামাঞ্চলত শিশু সকলৰ মাজত এবিধ জনপ্ৰিয় খেল হল ৰজা–ৰাণী খেল। ৰজা–ৰাণী খেলটো শিশু সকল এই খেলত দল হৈ খেলা কোনো খেলৰ বাবে প্ৰথমতে ল৩ৰা বা ছোৱালীবোৰ দুভাগ কৰি ল৩বলৈ খেলুৱৈ বোৰৰ মাজৰ দুজন ৰজা–ৰাণী হয় । জাকটোৰ বাকীবোৰে দুজন দুজনকৈ যোৰ পাতি প্ৰত্যেকেই মনে মনে সোণ–ৰূপ, ফুল পাত আদি বিভিন্ন ধৰণৰ নাম লৈ আহি ৰজা–ৰাণীক সোধেহি যে সোণ লাগে নে ৰূপ লাগে বা ফুল লাগে নে পাত লাগে। ডাকে ডাক সিকে ডাক বুলি কোনো কোনোৱে আকৌ গীত বা যোজনা এফাকি গাই আহে। ৰজাই যদি সোণ লাগে বুলি কয় সোণ নামলৈ অহাজন ৰজাৰ ফালে আৰু ৰূপ নামলৈ অহাজন ৰাণীৰ ফালৰ দলত ভৰ্তি হয়। এইদৰেই আটাইকেইটা যোৰা আহি সোধোতে সোধোতে গোটেই খেলুৱৈৰ দলটো দুভাগ হৈ যায়। দুভাগ হৈ যোৱাৰ পিছত যি কোনো খেল খেলিবলৈ সুবিধা হয় আৰু দলৰ খেলুৱৈ সকলৰ মাজত কোনো আপত্তিও নাথাকে। এতিয়া তেওঁলোকে হৈ গুদু,বৌ, গুদু , যি কোনো খেল নিজৰ পচন্দ মতে খেলে।

## ৪) চেংগুটিঃ

চেংগুটি খেলত কিছুমান নিৰ্দিষ্ট ঢাপ আছে। প্ৰত্যেকটো ঢাপৰ কৌশল বেলেগ বেলেগ। খেলখনত প্ৰায় পাঁচ–ছটা মান ঢাপ থাকে। স্থানভেদে

, ঢাপৰ সংখ্যা ভিন ভিন হোৱা দেখা যায়। খেলৰ মাজত যদি কোনো এটা চাপত খেলুৱৈজনে ভুল কৰে, তেতিয়া পৰৱৰ্তী খেলুৱৈজনে খেলিবলৈ সুবিধা পায়। আটাইকেইটা ঢাপ শেষ কৰাৰ পিছত খেলুৱৈজনে একোটা নম্বৰ লাভ কৰে আৰু পুনৰ প্ৰথমটো ঢাপৰ পৰা খেল আৰম্ভ কৰে। এনেদৰেই খেলখন আগবাঢ়ি গৈ থাকে।

## ৪.০১. অধ্যয়নৰ শেষত প্ৰাপ্ত সিদ্ধান্তঃ-

১. অসমীয়া সমাজৰ জন্ম, মৃত্যু আৰু বিবাহ অনুষ্ঠান  বুলিলে যিসমূহ লোকচাৰৰ কথা আমাৰ মনলৈ আহে,কোচ ৰাজবংশী সকলৰ মাজত প্ৰচলিত লোকাচাৰ সমূহো বহু ক্ষেত্ৰত মিল থকা দেখা যায়।

২. কোচ ৰাজবংশী সকলৰ মাজত প্ৰচলিত লোকবিশ্বাসৰ ভেটিতেই এই লোকাচাৰ সমূহৰ জন্ম হৈছে।

৩. কোচ ৰাজবংশী লোকসকলৰ মাজত ভিত্তি কৰি কিছুমান ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত কৰা দেখা যায়।

৪. কোচ ৰাজবংশী সকলে জন্ম, মৃত্যু, বিবাহৰ লগত জড়িত লোকাচাৰসমূহ পৰম্পৰাগতভাৱে পালন কৰি আহিছে। তথাপি কালৰ সোঁতত দুই - এক ৰীতি -নীতিৰ সংযোগ -বিয়োগ ঘটিছে।

## সামৰণিঃ-

প্ৰত্যেক জাতি জনগোষ্ঠীয়ে নিজৰ সামাজিক ৰীতি-নীতিৰে পৰিপূৰ্ণ। কোচ ৰাজবংশী সকলৰ সমাজ জীৱনো স্বকীয় ৰীতি-নীতিৰে সমৃদ্ধিশালী। কোচ ৰাজবংশীৰ লোকসকলে পালন কৰা বিভিন্ন লোকাচাৰ সমূহৰ ভিতৰত জন্নশম, মৃত্যু, বিবাহ সম্পৰ্কীয় লোকাচাৰসমূহে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। একে সম্প্ৰদায়ৰ হ'লেও ঠাইভেদে কোচ ৰাজবংশী সকলৰ জন্ম, মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ বিভিন্নতা দেখা যায়। এই বিভিন্ন ঠাই লোকসংস্কৃতিৰ সমলসমূহ যে সকলো ঠাইতে একে ৰূপত পোৱা নাযায় তাকে সূচায়। কোনো কোনো ক্ষেত্ৰত তেওঁলোকে পালন কৰা লোকাচাৰসমূহৰ মাজতো স্বকীয়তা পৰিচালিত হয়। তেওঁলোকৰ ৰীতি-নীতিসমূহ পৰম্পৰাগত ভাৱে চলি আহিছে যদিও কিছু কিছু ক্ষেত্ৰত বিজ্ঞানসন্মত হোৱা দেখা যায়। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱ তেওঁলোকৰ মাজত প্ৰচলিত কিছুমান ৰীতি নীতিৰ পৰিৱৰ্তন ঘটিছে যদিও স্বকীয়তা ম্লান হোৱা নাই। এই পৰিৱৰ্তনসমূহে বহু ক্ষেত্ৰত এই ৰীতি-নীতি সমূহক পৰিশীলিত আৰু পৰিমাৰ্জিত ৰূপ প্ৰদান কৰিছে।

## ৪.০১. অধ্যয়নৰ শেষত প্ৰাপ্ত সিদ্ধান্তঃ-

১. অসমীয়া সমাজৰ জন্ম, মৃত্যু আৰু বিবাহ অনুষ্ঠান  বুলিলে যিসমূহ লোকচাৰৰ কথা আমাৰ মনলৈ আহে,কোচ ৰাজবংশী সকলৰ মাজত প্ৰচলিত লোকাচাৰ সমূহো বহু ক্ষেত্ৰত মিল থকা দেখা যায়।

২. কোচ ৰাজবংশী সকলৰ মাজত প্ৰচলিত লোকবিশ্বাসৰ ভেটিতেই এই লোকাচাৰ সমূহৰ জন্ম হৈছে।

৩. কোচ ৰাজবংশী লোকসকলৰ মাজত ভিত্তি কৰি কিছুমান ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত কৰা দেখা যায়।

৪. কোচ ৰাজবংশী সকলে জন্ম, মৃত্যু, বিবাহৰ লগত জড়িত লোকাচাৰসমূহ পৰম্পৰাগতভাৱে পালন কৰি আহিছে। তথাপি কালৰ সোঁতত দুই - এক ৰীতি-নীতিৰ সংযোগ -বিয়োগ ঘটিছে।

## ২.৫ প্ৰসংগ টোকাঃ

১নং প্ৰসংগ - কিতাপৰ নাম " পশ্চিম সীমান্তীয় অসমৰ ভাষা- সাহিত্য সংস্কৃতি সৌৰভ" ড০ দ্বিজেন নাথ ভকত , পৃষ্ঠাঃ ৩৭০

২ নং প্ৰসংগ - কিতাপৰ নাম " পশ্চিম সীমান্তীয় অসমৰ ভাষা- সাহিত্য সংস্কৃতি সৌৰভ" ড০ শিৱেন্দ্ৰ , পৃষ্ঠাঃ ৩৭০

## সহায়ক গ্ৰন্থপঞ্জীঃ-


* পুতনী কায়স্থ , অসমৰ বিভিন্ন জনগোষ্ঠীৰ ঋতুকালীন উৎসৱ অনুষ্ঠান । শ্ৰী অজয় কুমাৰ দত্ত , ষ্টুডেনচ্ ষ্ট'ৰোড কলেজ হোষ্টেল ৰোড, গুৱাহাটী - ৭৮১০০১

* উমেশ দাস , পশ্চিম সীমান্তীয় অসমৰ লোক সাহিত্য-সংস্কৃতিমৌলিক আঁক বাকৰ বিক্ৰী কেন্দ্ৰ-সৰস্বতী মাৰ্কেট, যশোৱান্ত ৰোড ,পান বজাৰ , গুৱাহাটী-১

* দেৱকান্ত নাথ , অসমীয়া সংস্কৃতিৰ পটভূমি, প্ৰকাশক উৎপল হাজৰিকা, বাণী মন্দিৰ ,মহেন্দ্ৰ মোহন চৌধুৰী ভৱন,হেদায়েংপুৰ,গুৱাহাটী-৩

* দেবব্ৰত শৰ্মা , অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু জনগোষ্টীয় অনুষ্ঠান , একলব্য প্ৰকাশনঃ আখৰা ঘৰ মালৌ আলি, যোৰহাট- ৭৮৫০০১

* উপেন ৰাভা হাকাচাম, অসমৰ জনজাতীয় সংস্কৃতি প্ৰকাশক উৎপল হা,হাজৰিকা, বাণী মন্দিৰ , মহেন্দ্ৰ মোহন চৌধুৰী ভৱন , হেদায়ংপুৰ গুৱাহাটী-৩

# তথ্যদাতাৰ তালিকাঃ

১) শ্ৰী মতী ৰেৱতী বৰা , লিংগ - মহিলা

বয়স- ৬০ , বৃত্তি - গৃহিনী

ঠিকনা- মহনাটিং ভকত গাঁও ,তিতাবৰ ,ডাক - নামচুঙী

তথ্য গ্ৰহণৰ তাৰিখ -১৫/০৫/২০২২

২) শ্ৰীমতী দীপ্তি বৰা, লিংগ - মহিলা

বয়স- ৮০ , বৃত্তি - গৃহিনী

ঠিকনা- মহনাটিং ভকত গাঁও ,তিতাবৰ ,ডাক - নামচুঙী

তথ্য গ্ৰহণৰ তাৰিখ -১৫/০৫/২০২২

৩)শ্ৰীযুত চেনিৰাম বৰা ,লিংগ - পুৰুষ

বয়স- ৮০ , বৃত্তি - কৃষক

ঠিকনা- মহনাটিং ভকত গাঁও ,তিতাবৰ ,ডাক - নামচুঙী

তথ্য গ্ৰহণৰ তাৰিখ -১৫/০৫/২০২২

৪)শ্ৰী যুত ডিম্বেশ্বৰ বৰা, লিংগ - পুৰুষ

বয়স- ৮৫ , বৃত্তি - খেতিয়ক

ঠিকনা- মহনাটিং ভকত গাঁও ,তিতাবৰ ,ডাক - নামচুঙী

তথ্য গ্ৰহণৰ তাৰিখ -১৫/০৫/২০২২

৫) শ্ৰী যুত বিষ্ণু বৰা ,লিংগ - পুৰুষ

বয়স- ৮০ , বৃত্তি - খেতিয়ক

ঠিকনা- মহনাটিং ভকত গাঁও ,তিতাবৰ ,ডাক - নামচুঙী

তথ্য গ্ৰহণৰ তাৰিখ -১৫/০৫/২০২২ ।

# আলোকচিত্ৰ

## তোলনী বিয়া











# বৰ বিয়া



















উৎস-ইণ্টাৰনেট